জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৬/২০২১

# হোমেন বৰগোহাঞিৰ সৃষ্টি আৰু আদৰ্শ জীয়াই ৰাখিবলৈ ৰাজ্য চৰকাৰে সকলো পদক্ষেপ গ্ৰহণ কৰিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১২ মে' ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি কয় যে অসম চৰকাৰে ৰাজ্যৰ জাতীয় জীৱনৰ মহীৰূহ প্ৰয়াত সাহিত্যিক-সাংবাদিক হোমেন বৰগোহাঞিৰ সৃষ্টি আৰু আদৰ্শ ভৱিষ্যৎ প্ৰজন্মৰ মাজত জীয়াই ৰখাৰ বাবে প্ৰয়োজনীয় সকলো পদক্ষেপ গ্ৰহণ কৰিব। আজি নৱগ্ৰহ স্মশানত প্ৰয়াত সাহিত্যিকগৰাকীৰ শেষকৃত্য অনুষ্ঠানত উপস্থিত থাকি মুখ্যমন্ত্ৰী ড° শৰ্মাই সাংবাদিকৰ আগত এই মন্তব্য কৰে।

মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে বিশিষ্ট কথাশিল্পীগৰাকীৰ বিয়োগত সঁচাক সঁচা বুলি কোৱা আৰু কক্ষচ্যুত হ'লে তেওঁক কক্ষপথলৈ ওভতাই আনিব পৰা এগৰাকী অভিভাৱকক তেওঁ ব্যক্তিগতভাৱে হেৰুৱালে। চিকিৎসা মহাবিদ্যালয়ত প্ৰয়াত সাহিত্যিকগৰাকী চিকিৎসাধীন হৈ থকাৰ সময়ত প্ৰতিটো দিনেই খবৰ লোৱাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী শৰ্মাই কয় যে ঘৰলৈ ঘূৰি অহাৰ বাবে তেখেতে প্ৰচণ্ড হেপাহ ব্যক্ত কৰিছিল। তেখেতৰ মান-স্বাভিমানৰ ওচৰত হাৰ মানি অৱশেষত চিকিৎসকে তেখেতক ঘৰলৈ যাবলৈ অনুমতি দিছিল। মুখ্যমন্ত্ৰী শৰ্মাই লগতে কয় যে পাৰ্থিৱভাৱে অসমৰ বৌদ্ধিক জগতৰ এই উজ্জ্বল জ্যোতিষ্ক হেৰাই গ'লেও তেখেতৰ সৃষ্টি আৰু আদৰ্শ ভৱিষ্যৎ প্ৰজন্মৰ মাজত যাতে সদায় জীয়াই থাকে তাৰ বাবে অসম চৰকাৰে সকলোখিনি কৰিব। ইতিমধ্যে ৰাজ্য চৰকাৰে কেতবোৰ চিন্তা-চৰ্চা কৰিছে আৰু ভৱিষ্যতে পৰিয়াল তথা তেখেতৰ অজস্ৰ গুণমুগ্ধসকলৰ সৈতে কথা পাতি এই পৰিকল্পনাক চূড়ান্ত ৰূপ দিয়া হ'ব। মুখ্যমন্ত্ৰী শৰ্মাই দৃঢ়তাৰে কয় যে এই দিশত ৰাজ্য চৰকাৰে এখোজ বেছিকৈ দিব কিন্তু কমকৈ নহয়।

**বীঃগঃ**
**১২/০৫/২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in